# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 25-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাজ্য চৰকাৰে বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। অহা ৮ চেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব।  বৰ্যজোৰা কাৰ্যসূচীৰে উদ্‌যাপিত হ'বলগীয়া এই অনুষ্ঠান সম্পৰ্কে সদৰি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে গুৱাহাটী, নতুন দিল্লী, মুম্বাই তথা কলকাতাৰ বিভিন্ন প্ৰান্তত বিভিন্ন কাৰ্যসূচীৰ আয়োজনৰ দিহা কৰা হৈছে। ২০২৬ চনৰ ৮ চেপ্তেম্বৰত নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড° ভূপেন হাজৰিকাৰ জীৱন আৰু আদৰ্শ সন্দৰ্ভত তথ্যচিত্ৰ নিৰ্মাণৰো পৰিকল্পনা কৰা হৈছে। তেওঁৰ  স্মৃতিত মুদ্ৰা মুকলি কৰাৰ বাবেও বিত্ত মন্ত্ৰালয় তথা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সৈতে আলোচনা কৰা হৈছে। কেইবাটাও ভাষাত তেওঁৰ জীৱনী মুকলি কৰা হ'ব। তদুপৰি বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠান, তথা ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰাৰো পৰিকল্পনা কৰা হৈছে। এই সকলো কাৰ্যসূচী সুচাৰুৰূপে ৰূপায়ণ কৰাৰ উদ্দেশ্যে উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰে মুখ্যমন্ত্ৰীকে ধৰি ৫০ গৰাকী সদস্য অন্তৰ্ভুক্ত কৰি এখন বিশেষ সমিতি গঠন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে ড° ভূপেন হাজৰিকাই বিশ্বৰ শ্ৰোতা দৰ্শকৰ সন্মুখত অসমৰ দৃষ্টিভংগী দাঙি ধৰিছিল।

ooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাত্ৰিংশ দীক্ষান্ত সমাৰোহ আজি অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন হ'লত বিয়লি আয়োজিত এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সভাপতিত্ব কৰি যোৱা বছৰকেইটাত বিশ্ববিদ্যালয়খনৰ পৰা পি এইচ ডি, এম ফিল, স্নাতকোত্তৰ আৰু স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক ডিগ্ৰী প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই অনুষ্ঠানত সন্মানিত অতিথি আৰু বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চেমিকনডাক্টৰ খণ্ডৰ পৰা  সেউজ শক্তিলৈ, তথ্য প্ৰযুক্তিৰ পৰা পৰ্যটনলৈ বিভিন্ন খণ্ডত ৰাজ্যত উপলব্ধ সুবিধাসমূহ গ্ৰহণ

কৰিবলৈ যুৱ চামলৈ আহ্বান জনায়। নতুনকৈ স্নাতক ডিগ্ৰী লাভ কৰা যুৱ চামৰ বাবে ৰাজ্যত সকলো সুবিধা উপলব্ধ কৰোৱাৰ বাবে চৰকাৰে প্ৰচেষ্টা চলাব বুলিও তেওঁ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়লৈ পৰ্যায়ক্ৰমে ২৫০ কোটি টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলিও ঘোষণা কৰে।

ooooo

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ তাৰকা প্ৰচাৰক তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত আজি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়।

শ্ৰী সোণোৱালে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰত আন এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শ্ৰী সোণোৱালে আজি ডিব্ৰুগড়ৰ গজপুৰিয়াতো নিৰ্বাচনী সভাত ভাগ লয়।

জাগীৰোড বিধানসভা সমষ্টিৰ ২৯ খন পঞ্চায়তৰ বাবে অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসন সাজু হৈছে। সমষ্টিটোৰ বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোডত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

ৰূপহীহাট বিধানসভা সমষ্টিৰ অধীনৰ হাতিপাৰা গাওঁ পঞ্চায়তৰ নগৰাণীতো এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত মন্ত্ৰী পিযুষ হাজৰিকা, বিধায়ক জিতু গোস্বামীকে ধৰি বিজেপি তথা অগপৰ কেইবাগৰাকীও নেতা উপস্থিত থাকে। অসম গণ পৰিষদৰ সভাপতি অতুল বৰাইও আজি বোকাখাট জিলা পৰিষদৰ অধীনৰ কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়।

উদ্যোগ তথা বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি টিংখং সমষ্টিৰ অধীনত তিনখেনিয়া গাওঁ পঞ্চায়ত আৰু নাচনি পঞ্চায়তত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীবৰাই শোলগুৰি তিপমিয়া গাঁও পঞ্চায়ততো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ooooo

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি কটন শীৰ্ষ সন্মিলন ২০২৫ৰ প্ৰথম দিনৰ অধিবেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাই দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এই কাৰ্যসূচীত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি বিশ্ববিদ্যালয়ৰ তথ্য ব্যৱস্থাপনা প্ৰণালীৰ বিশেষ প্ৰকল্প samarth e gov ৰ আঞ্চলিক কেন্দ্ৰ পৰিদৰ্শন কৰে। উচ্চ শিক্ষা সঞ্চালকালয় তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুটীয়া উদ্যোগত বিকশিত এই ই-মঞ্চৰ জৰিয়তে উচ্চ শিক্ষাত নামভৰ্তি তথা আনুসংগিক বিষয়সমূহৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলে বিশেষ পৰামৰ্শ তথা নিৰ্দেশনা লাভ কৰিব। এই মঞ্চই বিশ্ববিদ্যালয় তথা মহাবিদ্যালয়সমূহক প্ৰযুক্তিগত সমৰ্থন আগবঢ়োৱাৰ লগতে সমাগত নামভৰ্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বিশেষ সহায় আগবঢ়াব। এই মঞ্চ শীঘ্ৰে মুকলি কৰা হব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আজি সদৰি কৰে।

ooooo

বজালী জিলাৰ পাটাছাৰকুছিৰ বেজকুছি নিৱাসী তথা ৰাজ্য চৰকাৰৰ  পৰা বিশিষ্ট ক্ৰীড়া সংগঠকৰ বঁটা লাভ কৰা, বাণী প্ৰকাশ গোষ্ঠীৰ অন্যতম পুথি প্ৰকাশক, নিৰন্ধকাৰ শ্ৰীপদ চৌধুৰীৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত আজি তেওঁৰ পৰলোপ্ৰাপ্তি ঘটে। প্ৰয়াত চৌধুৰীয়ে  কেইবাবছৰো পাটাছাৰকুছি প্ৰাচ্য সংঘৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ২৫ বছৰ কাল পাঠশালা নাট মণ্ডলৰো সভাপতি হৈ আছিল। তেওঁ অসম ৰেলযাত্ৰী সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু অসম সাহিত্য সভাৰ হিতৈশী সভ্য, পাঠাছাৰকুছি শাখা সাহিত্য সভাৰ উপদেষ্টাৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। তেওঁৰ শৰদেহ নিজ বাসগৃহলৈ লৈ যোৱা হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে-ছান ৰাইজাৰ্ছ  হায়দৰাবাদৰ সন্মুখত ১৫৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ১৯ অভাৰ ৫ টা বলত আটাইকেইটা উইকেটৰ  বিনিময়ত ১৫৪ ৰাণ সংগ্ৰহ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ